# 2021

## ASSAMESE

## ( Major )

Paper : 6.2

**( আধুনিক অসমীয়া কথাসাহিত্য )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৫=৫

(ক) হেমচন্দ্ৰ বৰুৱাই কাৰ ওচৰত হিন্দী ভাষা শিকিছিল?

(খ) ৰামচন্দ্ৰৰ প্ৰপিতামহ ৰঘুৰাজৰ দিনত কিহৰ নিমিত্তে কামৰূপ প্ৰসিদ্ধ আছিল?

(গ) বেদত পৰমব্ৰহ্মৰ স্বৰূপ লক্ষণ কেনেদৰে নিৰ্দেশ কৰিছে?

(ঘ) 'আনন্দৰাম বৰুৱা : পাতনি' পাঠটোৰ লেখক কোন?

(ঙ) 'ৰত্নোদধি' কি আছিল?





২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) "মহাপুৰুষীয়া ধৰ্মৰ লোকসকলৰ মতে তিনিখানি ৰাজ্যত দুজনা গুৰুৰ লীলা।" ইয়াত উল্লেখ কৰা গুৰু দুজনা কোন কোন?

(খ) মুক্তাৰাম বৰুৱা কোন আছিল? কিহৰ নিমিত্তে তেওঁ প্ৰখ্যাত হৈছিল?

(গ) আনন্দৰাম বৰুৱাক কাৰ কাৰ বৰপুত্ৰ বুলি কোৱা হৈছে?

(ঘ) তক্ষশীলা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰা যি কোনো দুজন ছাত্ৰৰ নাম লিখা।

(ঙ) শ্ৰীধৰস্বামীয়ে কৃষ্ণ নামৰ পাৰিভাষিক অৰ্থ কেনেদৰে ব্যাখ্যা কৰিছে?

৩। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) "সকলোয়ে ৰংগিনী বঙ্গীয়াক সংগিনী কৰি লৈছিল।" কথাষাৰ বুজাই লিখা।

(খ) "আনন্দৰাম বৰুৱা অসমৰো আচল বন্ধু।" কথাষাৰ লেখকে কি প্ৰসঙ্গত কৈছিল, বুজাই লিখা।

(গ) 'সৌন্দৰ্যবোধ' পাঠটোত লেখকে 'আধ্যাত্মিক জগত'ৰ সৌন্দৰ্য মানে কি বুজাইছে, বিশ্লেষণ কৰা।

(ঘ) 'সৌমাৰ ভ্ৰমণ' পাঠটোত লেখকে 'বিজয়া দশমী'ত ভ্ৰমণৰ সপক্ষে কি কি যুক্তি আগবঢ়াইছে?

(ঙ) ব্ৰহ্মক আনন্দস্বৰূপ বুলিলে কি বুজায়, 'শ্ৰীকৃষ্ণ তত্ত্ব' পাঠৰ আধাৰত ব্যাখ্যা কৰা।

৪। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) 'আত্মজীৱন চৰিত' পাঠটোৰ যোগেদি লেখক হেমচন্দ্ৰ বৰুৱাৰ ব্যক্তিত্বৰ কোনবোৰ দিশ প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(খ) ভ্ৰমণ কাহিনী হিচাপে গুণাভিৰাম বৰুৱাৰ 'সৌমাৰ ভ্ৰমণ' পাঠটোৰ উল্লেখযোগ্য দিশসমূহ কি কি, ব্যাখ্যা কৰা।

(গ) 'আনন্দৰাম বৰুৱা : পাতনি' পাঠটোৰ আধাৰত আনন্দৰাম বৰুৱাৰ বহুমুখী প্ৰতিভাৰ চমু আভাস দাঙি ধৰি এখন ৰচনা লিখা।

(ঘ) প্ৰাচীন কালৰ শিক্ষাৰ সৈতে আজিকালিৰ শিক্ষাৰ মৌলিক পাৰ্থক্যসমূহ কি কি, আলোচনা কৰা।

(ঙ) অসমীয়া গদ্য সাহিত্যৰ পৰম্পৰাত নীলমণি ফুকনৰ গদ্যৰীতিৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি, 'সৌন্দৰ্যবোধ' পাঠৰ আলমত ব্যাখ্যা কৰা।

★★★